প্ৰকৃতিৰ সৈতে
অনুৰূপ হোৱা

প্ৰিয় দাজীৰ

বাৰ্তা

পূজ্য শ্ৰী চাৰীজী মহাৰাজৰ

৯৮ তম জন্ম বাৰ্ষিকী উপলক্ষে

জুলাই ২৪, ২০২৫, কান্হা শান্তি বন

প্ৰকৃতিৰ সৈতে অনুৰূপ হোৱা

প্ৰিয় বন্ধুসকল,

বিকশিত হোৱা মানে এৰি যাবলৈ দিয়া

যেতিয়া আমি বীজ এটালৈ চাওঁ, আমি সত্যটো দেখা পাওঁ। বীজটোত গছজোপা গঠন হোৱা গা-গছ, শাখা-প্ৰশাখা, পাত আৰু ফুল সকলো আছে। কিন্তু বীজটো প্ৰকৃততে কি সেইটো হৈ পৰিবলৈ ই ভাঙি মুকলি হ'ব লাগিব। ই ইয়াক সংৰক্ষণ দি থকা খোলাটো এৰিব লাগিব। আপুনি যেতিয়া এৰি যাবলৈ দিয়ে তেতিয়াহে কেৱল জীৱন উন্মুক্ত হয়।

এইটোৱেই প্ৰকৃতিৰ পৰা প্ৰথম শিক্ষা: বিকশিত হোৱা মানে এৰি যাবলৈ দিয়া।

মাতৃ গছডালে এইটো জানে। গছডালে শৰত কাল আহিলে পাতবোৰ ধৰি নাথাকে। তাই মহানুভৱতাৰে সৈতে সেইবোৰ এৰি যাবলৈ দিয়ে, নতুন বৃদ্ধিৰ কাৰণে স্থান তৈয়াৰ কৰে। আমি যিটো প্ৰায়ে পাহৰি থাকোঁ, সেইটো তাই জানে যে বৰ জোৰেৰে ধৰি থাকিলে জীৱন গঢ়ি উঠাটো বন্ধ হয়।

মাতৃৰ হৃদয়েও এইটো জানে। ন মাহৰ কাৰণে দুটা হৃদয় এটা হৈ স্পন্দিত হয়। তাৰ পিছত জন্মৰ মুহূৰ্ত আহে, যিটো এৰি যাবলৈ দিয়াৰ সৰ্বাধিক প্ৰেমৰ

কাৰ্য। যিটো তাইৰ অস্তিত্বৰ অংশ আছিল তাই সেইটোক এৰি দি যাবলৈ দিয়ে, এই কাৰণে নহয় যে তাই ইয়াক ভাল নাপায়, কিন্তু এইকাৰণেই যে তাই ইয়াক অতি বেছি ভাল পায়। এটা আছিল, কিন্তু এতিয়া দুটা হৈছে, আৰু প্ৰতিটোৱেই আনটোক চিৰকালৰ কাৰণে ভাল পাব পাৰে।

প্ৰেমৰ চক্ৰ

তিনিটা সৰল সত্যই এটা অন্তহীন চক্ৰ গঠন কৰে:

১. বিকশিত হোৱা মানে এৰি যাবলৈ দিয়া।
২. প্ৰেমে বিকাশৰ মাজেদি নিজক দৰ্শাই।
৩. প্ৰেম মানে নিয়ন্ত্ৰণ এৰি যাবলৈ দিয়া।

প্ৰতিটো শ্বাস-প্ৰশ্বাসেই পিছৰটোলৈ গতি কৰে: শ্বাস, প্ৰশ্বাস, আৰু আকৌ শ্বাস। এইদৰে জীৱনটোৱেই নিজে গতি কৰে।

আমি যেতিয়া এটা গীত, এখন চিত্ৰ বা এটা সম্পৰ্কৰ নিচিনা কিবা সৃষ্টি কৰোঁ, আমি প্ৰেম দেখুৱাওঁ। প্ৰেমে নিজক দৰ্শোৱাৰ বা বিলাই দিয়াৰ আৱশ্যকতাৰ পৰাই সৃষ্টিৰ তাড়না আছে। প্ৰেমে বহুতো ধৰণে নিজক উদ্ভাস কৰে, আনকি মহা বিস্ফোটৰ(bigbang) সময়তো।

প্ৰেমে বস্তুবোৰ বিকাশ হ'বলৈ দিয়ে। "প্ৰেম বিশ্বৰ ইঞ্জিন", চাৰীজীয়ে কৈছিল।

আমি যেতিয়া এটা গীত, এখন চিত্ৰ বা এটা সম্পৰ্কৰ নিচিনা কিবা সৃষ্টি কৰোঁ, আমি প্ৰেম দেখুৱাওঁ। প্ৰেমে নিজক দৰ্শোৱাৰ বা বিলাই দিয়াৰ আৱশ্যকতাৰ পৰাই সৃষ্টিৰ তাড়না আছে।

আপাত-বিৰুদ্ধতা

ইয়াত এটা ডাঙৰ আপাত-বিৰুদ্ধতা: আপুনি সেইবোৰক প্ৰকৃততে ভাল পাবলৈ কাৰোবাক এৰিব লাগিব। প্ৰথমতেই, এনেকুৱা লাগে যেন এইটো কৰিব নোৱাৰি। আমি একে সময়তে প্ৰেমত থকা আৰু এৰি দিয়াটো কেনেকৈ কৰিব পাৰোঁ?

কিন্তু এইটোৰ বিষয়ে ভাবক: যদি গোলাপ ফুলৰ কলিটোক সুৰক্ষা দিয়া তৰপটো খোল খাই নাযায়, ই ফুলিব পাৰেনে? যদি লেটা গুটিটোৱে ইয়াৰ সুঁতাবোৰ এৰি নিদিয়ে পখিলাটো বাহিৰ ওলাই আহিব পাৰেনে? যদি হৃদয়বোৰে কিছুমান নিৰ্দিষ্ট মানদণ্ড পূৰণ কৰিব লাগে, সেইবোৰ প্ৰকৃততে একেলগ হ'ব পাৰিবনে?

সঁচা প্ৰেমৰ কোনো প্ৰত্যাশা, দাবী বা বন্ধন নাই। ই সদায় মুক্ত। সঁচা নিৰ্লিপ্ততা বা অনাসক্তি উদাসীন হোৱাটো নহয়, ইয়াৰ প্ৰেম ইমান শক্তিশালী যে ই আপোনাৰ ওপৰত কৰ্তৃত্ব আৰোপ কৰাৰ পৰিৱৰ্তে আপোনাক মুক্ত কৰে।

আমি প্ৰায়ে প্ৰেম আৰু আসক্তি একে কৰোঁ। কিন্তু আসক্তি প্ৰেমৰ পোছাক, যিবোৰে আপোনাক ভীতিবিহ্বল কৰে। ই সঁজা তৈয়াৰ কৰে আৰু সেইবোৰক যত্ন লোৱা বুলি কয়। ই মানুহক অধীন কৰে আৰু ইয়াক ভক্তিনিষ্ঠা বুলি কয়।

উদ্ভিদে অধিক জানে। ই জানে যে বতাহে ইয়াৰ গন্ধ উৰুৱাই নিব। ই জানে যে ইয়াৰ ফল শেষত সৰি পৰিব। কিন্তু ই ওলোটাই সংঘৰ্ষ নকৰে। ই ডাঙৰ হৈ গৈয়েই থাকে। বৃদ্ধি হোৱাটো, স্বাধীনতা দিয়াটো, আৰু বহুতো জীৱন গঢ়াটো ইয়াৰ প্ৰকৃতিতেই আছে।

মানুহ হোৱাৰ প্ৰত্যাহ্বান

আমি মানুহবোৰে আমাৰ নিজা বিকল্প বাছি ল'ব পাৰোঁ আৰু নিজৰ প্ৰতি সজাগ হ'ব পাৰোঁ। তথাপিতো, অহংকাৰে আমাক "মই" আৰু "মোৰ" নিচিনা অনুভৱ কৰিবলৈ দিয়ে, যিবোৰে আমাক বস্তুবোৰত বান্ধি ৰখাৰ লগতে সেইবোৰৰ দ্বাৰা

আমাক পৰিভাষিত কৰে। বিশ্বাসৰ অভাৱেও আমাক ভৱিষ্যৎ সুৰক্ষাৰ কাৰণে সঞ্চয় কৰিবলৈ প্ৰেৰিত দিয়ে।

আমি যেতিয়া ধ্যান কৰোঁ এই বান্ধোনবোৰ ভাঙি যায়, আৰু আমি আমাৰ চিন্তা আৰু আৱেগবোৰৰ প্ৰতি অধিক সজাগ হৈ পৰোঁ। আমি কোনটো প্ৰকৃত আৰু কোনটো নহয় তাৰ মাজত, কোনটো চিৰস্থায়ী আৰু কোনটো নহয় তাৰ মাজত প্ৰভেদ বিচাৰ কৰিবলৈ শিকোঁ। আমি ক্ষুদ্ৰ স্বৰ আগলৈ গৈ অসীমলৈ দৃষ্টি দিবলৈ শিকোঁ।

এই পৰিৱৰ্তন নিজৰ মাজতেই নিজৰ প্ৰেমৰ কাৰ্য।

লালাজীৰ জীৱনৰ পৰা

আদিগুৰু লালাজী মহাৰাজ প্ৰেমময় অনাসক্তিৰ উত্তম উদাহৰণ। উদাহৰণ স্বৰূপে, এটা সামূহিক ধ্যান পৰিচালনা কৰি থাকোঁতে তেওঁৰ কন্যাৰ মৃত্যুৰ বিষয়ে গম পাইছিল, কিন্তু তেওঁ তাত শান্ত হৈ বহি আছিল, আৰু তেওঁৰ চকুলো গালেদি ববলৈ আৰম্ভ কৰিছিল।

এজন সন্তসুলভ ব্যক্তিয়ে সুধিছিল, “এজন সন্তই কেনেকৈ কান্দিব পাৰে? তেওঁ কেনেকৈ কান্দিব পাৰে, কাৰণ তেওঁ যত্ন লয় আৰু হৃদয়েৰে তদাৰক কৰে।

লালাজীয়ে নীৰৱে অলপ সময়ৰ কাৰণে বহি ৰৈছিল, তাৰ পিছত কিছুমান শুকান গছৰ পাত লৈ হাতেৰে মোহাৰি গুৰি কৰিছিল। পাতবোৰে ভঙা শব্দ কৰিছিল। তেওঁ কৈছিল,“আনকি মৰা পাতবোৰেও ভাঙিলে শব্দ কৰে,” আৰু “মই এজন মানুহ। যেতিয়া লগ হৈ থকা অংশবোৰ পৃথক হৈ পৰে, শব্দ হোৱাটো স্বাভাৱিক।”

তেওঁ আৰু কৈ গৈছিল,“তেওঁলোক মুক্ত হওক বা নহওক, মানুহে স্বাভাৱিকভাবে প্ৰেম, যত্নশীল হোৱা আৰু আসক্তি অনুভৱ কৰে।” আমি মানুহ হোৱাৰ পৰা প্ৰেম আৰু দয়ালৈ, আৰু দিব্যতালৈ গতি কৰিছোঁ। আমি ক্ৰমবিকাশ পাওঁতে

সৃষ্টিৰ বাস্তৱিক সত্যবোৰৰ পৰা পৃথক হোৱাৰ পৰিৱৰ্তে সেইবোৰৰ সৈতে এক হৈ পৰোঁ।

এইটোৱেই প্ৰেমময় অনাসক্তি: এৰি দিওঁতে গভীৰতাৰে অনুভৱ কৰা।

আমি মানুহ হোৱাৰ পৰা প্ৰেম আৰু দয়ালৈ, আৰু দিব্যতালৈ গতি কৰিছোঁ। আমি ক্ৰমবিকাশ পাওঁতে সৃষ্টিৰ বাস্তৱিক সত্যবোৰৰ পৰা পৃথক হোৱাৰ পৰিৱৰ্তে সেইবোৰৰ সৈতে এক হৈ পৰোঁ।

ভুল পথ

প্ৰেম নথকাকৈ আসক্ত হোৱাৰ প্ৰতি আমি সাৱধান হ'ব লাগিব। ই নিস্তেজ, দূৰৱৰ্তী আৰু ইয়াৰ কোনো আধ্যাত্মিক মূল্য নাই। এইটো মানুহ এজনে কোৱাৰ নিচিনা যে তেওঁ ব্ৰহ্মচাৰী, কিন্তু কাৰো সৈতে ঘনিষ্ঠ হ'ব নোৱাৰে। এনেকুৱা দূৰৱৰ্তী মানসিকতা আৱেগিকভাবে অসমৰ্থ হোৱাৰ পৰা আহে, জ্ঞানী হোৱাৰ পৰা নাহে।

সম্পূৰ্ণ অনাসক্তি প্ৰেমৰ পৰা আহে, যিটো ইমান শক্তিশালী যে ই কিবা পোৱা বা হেৰুৱাৰ বিষয়ে খাটিৰ নকৰে। ই আৱেগিকভাবে নিৰ্ভৰশীল নোহোৱাকৈ সম্পূৰ্ণকৈ অংশ লয়। ই আসক্তি আৰু বান্ধোন নথকাকৈ ঘনিষ্ঠতা কৰে।

এই প্ৰেমময় দূৰত্ব(ব্যৱধান) আমি আনকি কেনেকৈ উপলব্ধি কৰিব পাৰোঁ? মোৰ কেৱল এটাই উত্তৰ: আন্তৰিক বুজাবুজিৰ দ্বাৰা আৰু অনুশীলনৰ দ্বাৰা।

সৰুকৈ আৰম্ভ কৰক। গহণা বা এখন চিত্ৰৰ নিচিনা কিবা এটা মূল্যবান বস্তু ৰাখক। ইয়াৰ কাৰণে ধন্য হওক। ইয়াক হেৰুৱাৰ কাৰণে কিবা আশঙ্কা আছেনেকি লক্ষ্য কৰক। এতিয়া সেই উদ্দেশ্যটো ধৰি ৰখাৰ মুঠিটো এৰি দিয়ক। ইয়াক মুঠি মাৰি

ধৰি ৰখাৰ পৰিৱৰ্তে খোলা হাতেৰে ধৰক। মূল্য দিয়া আৰু নিজৰ বুলি ধৰাটোৰ মাজৰ পাৰ্থক্যটো জানক।

সম্পৰ্কৰ কথালৈ যাওক। যেতিয়া আপুনি ভয়, প্ৰয়োজন বা আশাৰ কাৰণে বৰ জোৰকৈ ধৰি ৰাখে কি হয় তালৈ দৃষ্টি দিয়ক। আন মানুহৰ স্বাধীনতাক আশীৰ্বাদ কৰক। নিজক টানি দূৰ কৰি বা পলায়ন কৰি নহয়, কোনো চৰ্ত নৰখাকৈ প্ৰেমৰ মাজেদি কৰক। চাওক স্বাধীনতাই কেনেকৈ প্ৰকৃত সংযোগ দুৰ্বল কৰাৰ পৰিৱৰ্তে বেছিকৈ শক্তিশালী কৰে।

শেষত, এইটো আপোনাৰ ওপৰতো প্ৰয়োগ কৰক। আপুনি কেনেকৈ আপোনাৰ পৰিচয়বোৰ, কাহিনীবোৰ আৰু আনকি আৱেগিক ঘাবোৰ ধৰি ৰাখে চাওক। অনুশীলনৰ লগে লগে আপোনাৰ পুৰণি সংস্কৰণবোৰ এৰ খাই পৰিবলৈ দিয়ক। যিবোৰে আপোনাক আৰু সহায় নকৰে সেইবোৰ এৰ খাবলৈ দিয়ক, এইকাৰণে নহয় যে আপুনি নিজক ঘৃণা কৰে, কিন্তু আপুনি নিজক ভালপোৱাৰ কাৰণেহে।

প্ৰকৃতিৰ দয়াৰ শিক্ষা

যদি তুমি নদী এখনৰ কাষত বহু সময় ধৰি থিয় হৈ থাকা, ই তোমাক সকলো শিক্ষা দিব। পানী কেনেকৈ প্ৰৱাহিত হয় লক্ষ্য কৰা। ই স্পৰ্শ কৰা শিলত বা নদীৰ পাৰ দুটাত কেতিয়াও ধৰি নাথাকে। নদীখনে প্ৰতিটো মুহূৰ্তত সকলো দিয়ে, কিন্তু ই একেই থাকে। ই নিজক নিৰৱচ্ছিন্নভাবে এৰি দি সাগৰত ইয়াৰ আবাসস্থল বিচাৰি পায়।

কিন্তু প্ৰকৃতিৰ শিক্ষা আনকি আৰু গভীৰ। এইটোৰ বিষয়ে ভাবক: কমলাৰ গছজোপাই ইয়াৰ ফলৰ বিনিময়ত কেতিয়াও কমলাৰ ৰস নিবিচাৰে। আম গছজোপাই কেতিয়াও পাৰিশ্ৰমিক হিচাপে আমৰ ৰস নিবিচাৰে। এইধৰণৰ গছবোৰে সৰু সৰু বস্তুবোৰ অতি স্বাদযুক্ত উপহাৰলৈ সলনি কৰে। সেইবোৰে কেৱল জৈৱ পেলনীয়া দ্ৰব্য ভক্ষণ কৰে, পানী লয়, আৰু সৌৰ আলোক ব্যৱহাৰ কৰে।

গাইজনীয়ে গাখীৰ দিয়াৰ বিনিময়ত গাখীৰকে ধৰি আন একো নিবিচাৰে । তাই কেৱল ঘাঁহেই খাই! কিন্তু আমাক নিঃস্বাৰ্থভাবে সেৱা কৰা গৰুবোৰক আমাৰ কিছুমানে সম্পূৰ্ণৰূপে ভক্ষণ কৰি আমাৰ পেটক সমাধিক্ষেত্ৰলৈ সলনি কৰে।

ইয়াৰ পৰা আমি কি লব পাৰোঁ? যদিও আমি সকলোবস্তুৰ উত্তমখিনি খাওঁ, আমি ঘূৰাই কি দিওঁ? এই প্ৰশ্নটোৱে মোৰ সহযোগীসকলক স্তব্ধ কৰি বহু সময়ত ভবাই তুলিছিল।

মই সদায় ভাবোঁ যে প্ৰেমেই দৈৱিক আদেশৰ একমাত্ৰ আহিলা যিটোৱে এই তিনিটা প্ৰয়োজনীয়তা পূৰা কৰিব পাৰে: বিকশিত হোৱা, প্ৰেম দিয়া আৰু স্বাধীনতা দিয়া। প্ৰকৃতি প্ৰেমৰ ওপৰত আধাৰিত, ই একোৱেই নিবিচাৰে আৰু সকলো বিলাই দিয়ে। এইটোৱেই সৰ্বোচ্চ প্ৰেমময় অনাসক্তি।

এইটো প্ৰকৃতিৰ প্ৰেমময় অনাসক্তিৰ নীৰৱ বাৰ্তা, যিটো ইমান মৌলিক যে ইয়াক প্ৰায়েই উপেক্ষা কৰা হয়।

মেঘে পানীৰ বাস্প সংগ্ৰহ কৰে, গধুৰ হয় আৰু বৰষুণ হয়, আৰু তেতিয়া সকলো এৰি দিয়ে। মেঘ সৰু হৈ পৰে নেকি? নহয়, ই সলনি হয়, লঘু হৈ পৰে, আৰু আকাশৰ মাজেৰে অবিৰত ভাবে গতি কৰি থাকে। বৰষুণ নদীলৈ পৰিৱৰ্তিত হয়, বীজবোৰক পুষ্টি দিয়ে, আৰু পিছত বাষ্পৰ ৰূপত ওপৰলৈ গৈ পুনৰ মেঘ হয়।

মই সদায় ভাবোঁ যে প্ৰেমেই দৈৱিক আদেশৰ একমাত্ৰ আহিলা যিটোৱে এই তিনিটা প্ৰয়োজনীয়তা পূৰা কৰিব পাৰে: বিকশিত হোৱা, প্ৰেম দিয়া আৰু স্বাধীনতা দিয়া। প্ৰকৃতি প্ৰেমৰ ওপৰত আধাৰিত, ই একোৱেই নিবিচাৰে আৰু সকলো বিলাই দিয়ে। এইটোৱেই সৰ্বোচ্চ প্ৰেমময় অনাসক্তি।

তোমাৰ শ্বাস-প্ৰশ্বাসেও এইটোৱেই শিকায়। যেতিয়া তুমি শ্বাস এৰা, তুমি কিবা এটা যাবলৈ দিয়া; যেতিয়া তুমি শ্বাস লোৱা, তুমি কিবা এটা ভিতৰলৈ নিয়া। তোমাৰ শ্বাস-প্ৰশ্বাস চিৰদিনৰ কাৰণে ধৰি ৰাখিবলৈ চেষ্টা কৰা, আৰু জীৱনটোৱে নিজেই ইয়াৰ প্ৰতিবাদ কৰিব। মনে কেতিয়াবা কি পাহৰে শৰীৰে জানে: ধৰি ৰখা আৰু এৰি যাবলৈ দিয়া জীৱনৰ নৃত্যৰ দুটা ভাগ।

চতুৰ্থ সূত্ৰঃ প্ৰকৃতিৰ মাৰ্গ সৰল

"প্ৰকৃতিৰ সৈতে একসুৰীয়া হ'বলৈ আপোনাৰ জীৱন সহজ সৰল কৰি তোলক"-
বাবুজী

জীৱনত এই নীতি মূৰ্তমান কৰাটোৱেই বিকাশৰ দ্ৰুততম উপায়।

প্ৰকৃতি মানেই সৰল হোৱা। এইটোৱেই পৰম সত্তাত বৰ্তি আছিল, কিন্তু এতিয়াও সম্পূৰ্ণৰূপে মূৰ্ত ৰূপ লোৱা নাই। এইটোৱেই প্ৰকৃতিৰ নিজৰ প্ৰাণ শক্তি, সেই স্থান য'ত সকলো ক্ৰিয়া আৰম্ভ হয়, যিটো প্ৰকৃতাৰ্থত আদি বা মূল কেন্দ্ৰ। জীৱনত সৰলতা প্ৰাপ্ত কৰাৰ একমাত্ৰ উপায় হৈছে সকলো জটিলতা নিৰ্মূল কৰা।

কিন্তু আমি মানুহবোৰে সৰল বস্তু এটা অধিক জটিল কৰি পেলাওঁ। আমি চিন্তাবোৰৰ, ইচ্ছাবোৰৰ, আৰু কাৰ্য্যৰ এখন মকৰাজাল তৈয়াৰ কৰি লওঁ যিখন প্ৰকৃতিৰ বিৰুদ্ধে প্ৰৱাহিত হয়। এটা কাৰ্য-সামৰ্থই উপদেশ দিয়ে মুক্ত বায়ুত খোজকাঢ়া, আনটোৱে ঠাণ্ডাৰ বিৰুদ্ধে সতৰ্ক কৰি দিয়ে। এটাই অৰ্থ উপাৰ্জন কৰিবলৈ কয়, আনহাতে আনটোৱে বেলেগ এটা পথ ল'বলৈ কয়। বাবুজীয়ে এইটোক পৰস্পৰবিৰোধী প্ৰৱণতাৰে আমি "এটা সমূহ" গঠন কৰিছোঁ বুলি কৈছে।

কমলা গছবোৰে এই সমস্যাবোৰৰ সৈতে মোকাবিলা কৰিব নালাগে। ফল দিব লাগেনে নালাগে ই চিন্তা নকৰে। গাখীৰ উৎপন্ন কৰিবনে নাই গাইজনীয়ে চিন্তা নকৰে। সেইবোৰ নিখুঁত সৰলতাত বৰ্তি থাকে, ঠিক প্ৰকৃতিয়ে কৰাৰ দৰে।

অমি নিজে গঢ়া জালতন্ত্ৰখন ভাঙি “সুপ্তশক্তি পুনৰ অধিকৃত কৰিব লাগিব”, যিটো প্ৰকৃতিৰ সাৰমৰ্ম। যদি আমি প্ৰকৃতিক অনুকৰণ কৰিব বিচাৰোঁ, আমি নিৰৱচ্ছিন্নভাৱে আমাৰ কাৰ্য্যবোৰ পৰিশোধিত কৰিব লাগিব, অনাৱশ্যক কামবোৰ পৰিহাৰ কৰিব লাগিব, আৰু বিশুদ্ধতম অৱস্থা প্ৰাপ্ত কৰাৰ বাবে আমাৰ জালতন্ত্ৰখন ভাঙিব লাগিব।

এইটো কাৰ্য্যত প্ৰেমময় অনাসক্তি। ই অধিক আধ্যাত্মিক সাধনা কৰাৰ কথা নহয়; ই হৈছে যিবোৰ আৱশ্যকীয় নহয় সেই সকলোবোৰ পৰিহাৰ কৰা। এজোপা গছে শৰত কালত ইয়াৰ পাতবোৰ এৰি দিয়াৰ দৰে আমিও আমি গঢ়া জালতন্ত্ৰখন এৰি দিবলৈ শিকা আৱশ্যক। আমি প্ৰকৃতিৰ সৈতে সমন্বিত হোৱা সৰল জীৱনলৈ ঘূৰি অহা আৱশ্যক। আমি জড়িত হৈ পৰা সকলোবোৰৰ ‘আৱশ্যকীয়তাৰ’ এই দিশটোত অনুধাৱন কৰিব লাগিব।

যদি আমি প্ৰকৃতিক অনুকৰণ কৰিব বিচাৰোঁ, আমি নিৰৱচ্ছিন্নভাৱে আমাৰ কাৰ্য্যবোৰ পৰিশোধিত কৰিব লাগিব, অনাৱশ্যক কামবোৰ পৰিহাৰ কৰিব লাগিব, আৰু বিশুদ্ধতম অৱস্থা প্ৰাপ্ত কৰাৰ বাবে আমাৰ জালতন্ত্ৰখন ভাঙিব লাগিব।

অন্তিম সত্য

ইয়াতেই আচল সমস্যা নিহিত। কমলাৰ গছজোপাই একো নিবিচৰাকৈ মাটি, পানী, আৰু সূৰ্যৰ আলোক মিঠা স্বাদলৈ সলনি কৰে। গৰুৱে একো ঘূৰাই পোৱাৰ আশা নকৰাকৈ ঘাঁহ খাই আৰু ইয়াক আহাৰলৈ সলনি কৰে। সেইবোৰ দিব্য আদেশ, যিবোৰে ইয়াৰ বিষয়ে নভবাকৈ কেৱল দিয়েই থাকে।

আমি যিসকল মানুহে প্ৰতিটো উত্তম বস্তু খাওঁ, প্ৰায়ে এই মৌলিক নিয়মটো পাহৰি থাকোঁ। আমি কমলাৰ মিঠা স্বাদ লওঁ, গৰুৰ পৰা গাখীৰ আৰু পৃথিৱীৰ প্ৰাচুৰ্যতা আদায় কৰোঁ, কিন্তু আমি কি ঘূৰাই দিওঁ? এই প্ৰশ্নটোৱে আমাক নিজৰ ক্ষুদ্ৰতাৰ অনুভৱ আৰু আমাৰ আচল উদ্দেশ্য মনত পেলাই দিয়া উচিত।

ডাঙৰ সমস্যাটো নিজে নিজেই আঁতৰি যায়: আমি এৰি যাবলৈ দিলে অধিক পাওঁ। যিমান অধিক আমি স্বাধীনতা দিওঁ, সিমানেই অধিক আমাৰ বান্ধোন শক্তিশালী হয়। যেতিয়া আমি এৰি যাবলৈ দিওঁ আমি বিকাশ লাভ কৰোঁ।

ইয়াত কোনো পৰিকল্পনা বা কৌশল নাই। এইদৰেই প্ৰেমে কাৰ্য কৰে আৰু দিব্য আদেশ কাৰ্যকৰী হয়। প্ৰেম এটা বন্ধ হৈ থকা প্ৰণালী নহয়, ই এটা মুক্ত প্ৰৱাহ। ই বায়ু, পানী আৰু পোহৰৰ দৰে গতি কৰে, সদায় ঘূৰি আছে আৰু নিৰন্তৰ সলনি হৈ থাকে।

যেতিয়া আমি এই দিব্য শৃংখলা মানি চলোঁ আৰু একো ঘূৰাই পোৱাৰ আশা নৰখাকৈ দিওঁ, আমি উপলব্ধি কৰোঁ যে প্ৰেমময় অনাসক্তি আমি কৰা কিবা এটা নহয়, ই আমি যিজন মানুহ সেইটোৱেই।

স্বীকৃতি

শেষত, আমি প্ৰেমময় অনাসক্তিৰ অনুশীলন নকৰোঁ, আমি স্বীকৃতি দিওঁ যে আমি প্ৰেম কৰোঁ। আমি ইজনে সিজনৰ পৰা দূৰ হ'বলৈ চেষ্টা কৰা পৃথক ব্যক্তি নহওঁ। জীৱন নিৰন্তৰ সলনি হৈ গৈ আছে, এৰি গৈ আছে আৰু প্ৰেমময় অৱস্থাটোও নতুন ৰূপলৈ সলনি হৈ আছে।

বিশ্বব্ৰহ্মাণ্ডই আপুনি লোৱা প্ৰতিটো শ্বাসৰ সৈতে থকাটো ভাল পায়। যেতিয়া আপুনি এটি শিশুক, এটা স্বপ্ন বা এটা মুহূৰ্ত এৰি দিয়ে আপুনি জীৱনৰ প্ৰৱাহৰ সৈতে সমন্বিত হৈ থাকে।

নদীখনে জানে যে ই সমুদ্ৰলৈ ঘূৰি আহিব। মেঘে জানে যে ই বৰষুণ হৈ পৰিব, শুকাব আৰু পিছত আকৌ ই গঠন হ'ব। বীজটোৱে জানে যে ই বৃদ্ধি হ'বলৈ নিজে ভাঙিব লাগিব। আমিও নিজৰ মাজত জানো যে প্ৰেম হৈছে এৰি যাবলৈ দিয়া, আৰু এৰি যাবলৈ দিবলৈ প্ৰেম স্বয়ং প্ৰেম হ'ব লাগিব।

যেতিয়া আমি সেই স্তৰৰ সৰলতা পাওঁ,“সকলো ইন্দ্ৰিয় লয় হৈ পূৰ্বৰ চাপবোৰ উৰলি যোৱাৰ পিছত যিটো থাকে সেইটোৰ সৈতে সমাৰ্থক হৈ পৰিব পাৰোঁ।” তেতিয়াহে কেৱল আমি নিজকে দিব্যতাৰ সৈতে একসুৰীয়া হোৱা বুলি আৰু সৰল, প্ৰেমময় আৰু প্ৰকৃতিয়ে দি থকা শৃংখলাৰ সৈতে নিখুঁত সন্তুলনত জীয়াই থকা বুলি ভাবিব পাৰোঁ।

আহ্বান

এই কথাখিনি বৰ গুৰুত্ব সহকাৰে নল'ব। সেইবোৰক সিঁহতৰ কাম শেষ কৰিবলৈ দিয়ক, তাৰ পিছত সেইবোৰক এৰি যাবলৈ দিয়ক। সেইবোৰ মনত ৰাখিব লগা কথা নহয়, সেইবোৰ প্ৰৱাহ কৰাৰ কাৰণে আহ্বান।

যদি আপুনি এৰি যাবলৈ দিবলৈ ভয় কৰে, মনত ৰাখিব যে এৰি দিয়াটোৱে নতুন জীৱন আনে, ই কোনো হানি নকৰে। প্ৰতিটো প্ৰত্যূষেই দেখুৱাই যে অন্তিম অৱস্থাটোৱে নতুনৰ আৰম্ভণি কৰে। প্ৰতিটো শ্বাসেই দেখুৱাই যে এৰি দিয়াটোৱে গ্ৰহণ কৰাৰ কাৰণে স্থান তৈয়াৰ কৰে।

প্ৰেম এটা বন্ধ হৈ থকা প্ৰণালী নহয়, ই এটা মুক্ত প্ৰৱাহ। ই বায়ু, পানী আৰু পোহৰৰ দৰে গতি কৰে, সদায় ঘূৰি আহে আৰু নিৰন্তৰ সলনি হৈ থাকে।

মুক্ত হস্তে প্ৰেম দিয়ক। এইটো আধ্যাত্মিক অথবা ৰসাত্মক হোৱাৰ কাৰণে নহয়, কিন্তু এইটো প্ৰেমে কাম কৰাৰ একমাত্ৰ উপায়। বন্ধ মুঠিটোৱে কেৱল বস্তুবোৰ ধৰি ৰাখে। বিশ্বব্ৰহ্মাণ্ডখনেই খোলা হাত। নদীখনে যিটো শিকাই, মেঘে যিটো দেখুৱাই আৰু প্ৰতিগৰাকী মাতৃৰ হৃদয়ে যিটো জানে, সেইটো হৈছে প্ৰেম মানেই এৰি যাবলৈ দিয়া, আৰু এৰি যাবলৈ দিওঁতে আমি বিচৰা প্ৰেম হৈ পৰোঁ।

এইটোৱেই শিক্ষা। সহজ। দিয়া হ'ল। চিৰকালৰ কাৰণে।

প্ৰেম আৰু শ্ৰদ্ধাৰে,
কমলেশ

পূজ্য শ্ৰী চাৰীজী মহাৰাজৰ
৯৮ তম জন্ম বাৰ্ষিকী উপলক্ষে
কান্হা শান্তি বন, জুলাই ২৪, ২০২৫

heartfulness
purity weaves destiny